**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-06-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১।  মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি ডিব্ৰুগড়ত কেন্দ্ৰীয় সামূহিক ৰান্ধনিঘৰৰ আধাৰশিলা স্থাপন।
২।  বগীবিলত ব্ৰহ্মপুত্ৰ নদীৰ খনন জৰীপৰ কাম আৰম্ভ।
৩।  ৰাজ্য চৰকাৰৰ শীৰ্ষ প্ৰশাসনীয় পৰ্যায়ত পদৰ ব্যাপক সালসলনি।
৪।  ধ্ৰুপদী মৰ্যাদা লাভ কৰাৰ পাছত অসমীয়া ভাষাত প্ৰথমখন গৱেষণা পত্ৰ প্ৰকাশ।  **আৰু**
৫।  সৰ্প দংশনৰ চিকিৎসাৰ ক্ষেত্ৰত বিষনাশক ব্যৱহাৰ নকৰাকৈ ৰোগী আৰোগ্যৰে ডিমৌ গ্ৰাম্য চিকিৎসালয়ৰ বিশেষ কৃতিত্ব।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত দিহিং খামটি খেলপথাৰত কেন্দ্ৰীয় সামূহিক ৰান্ধনিঘৰৰ আধাৰশিলা স্থাপন কৰিব। ২৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া প্ৰকল্পটো ২০২৬ চনৰ ছেপ্তেম্বৰ মাহত সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। প্ৰধানমন্ত্ৰী পোষণৰ অধীনত সমগ্ৰ শিক্ষা অভিযানৰ দ্বাৰা এই ৰান্ধনিঘৰৰ পৰা কাষৰ বিদ্যালয়সমূহৰ শিক্ষাৰ্থীসকলক গুণগত, মানসম্পন্ন, পৰিষ্কাৰ আৰু স্বাস্থ্যসন্মত দুপৰীয়াৰ আহাৰ প্ৰদান কৰা হ'ব। শিশুৰ পুষ্টিহীনতা নিৰ্মূল কৰাৰ লক্ষ্যৰে স্থাপন কৰিবলগীয়া এই ৰান্ধনিঘৰে নিয়োগৰো সুযোগ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ লগতে ৰন্ধনৰ খাদ্য পৰিকল্পনা বৃদ্ধি কৰি ৰান্ধনিঘৰ প্ৰকল্পটোৱে ৰাইজৰ মাজত খাদ্য যোগান আৰু আহাৰ সম্পৰ্কীয় সজাগতা বৃদ্ধিৰে খাদ্য সুৰক্ষা সুনিশ্চিত কৰিব। প্ৰকল্পটোত এহেজাৰ ৭০০ বৰ্গ মিটাৰৰ এটা ৰান্ধনিঘৰৰ লগতে প্ৰশাসক, জ্যেষ্ঠ প্ৰবন্ধকৰ আৱাস আৰু প্ৰশিক্ষণ ভৱনৰ দৰে সুবিধা থাকিব বুলি বিভাগীয় কৰ্তৃপক্ষই জানিবলৈ দিছে। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা, চিকিৎসা মন্ত্ৰী প্ৰশান্ত ফুকন, পৰিবহণ মন্ত্ৰী যোগেন মহন, বিধায়ক চক্ৰধৰ গগৈকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।  ০০০০০০

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ৰ জেইল ৰোডত অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অন্তৰ্গত চিটী হাস্পতালৰ আধাৰশিলা স্থাপন কৰে। বিশ্ব বেংকৰ সাহায্য প্ৰাপ্ত এছিষ্ট প্ৰকল্পৰ অধীনত ২০৬ কোটি টকা ব্যয় সাপেক্ষে ২৮ হাজাৰ ৮৪৪ বৰ্গ মিটাৰ এলেকাজুৰি এই হাস্পতালখন নিৰ্মাণ কৰা হ'ব।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ শৰ্মাই ডিব্ৰুগড়স্থিত মুখ্যমন্ত্ৰীৰ সচিবালয়ত ধেমাজি জিলাৰ চিচিবৰ গাঁও বিধানসভা সমষ্টিৰ সামগ্ৰিক উন্নয়নৰ লক্ষ্যৰে সমষ্টিটোত ৰূপায়ণ হৈ থকা কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা চলায়। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে সমষ্টিটোৰ বিভিন্ন সমস্যাৰ বুজ লয় আৰু সংশ্লিষ্ট

বিষয়াসকলক সমস্যা দূৰ কৰাৰ বাবে যাৱতীয় নিৰ্দেশ প্ৰদান কৰে। সমষ্টিটোৰ বান সমস্যাৰ বুজ লৈ ড০ শৰ্মাই গোসাঁইগাঁও আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত বানে সৃষ্টি কৰা সমস্যা দূৰ কৰাৰ বাবে গাই নদীৰ সোঁফালৰ মথাউৰিৰ দৈৰ্ঘ্য ১ দশমিক ৬-০ কিলোমিটাৰ বৃদ্ধি কৰাৰ কাম চলিত বিত্তীয় বৰ্ষতে আৰম্ভ কৰিবলৈ জল সম্পদ বিভাগক নিৰ্দেশ দিয়ে। তেওঁ লগতে মৰিঢল আৰু গাই নদীৰ বৰ্তমানৰ মথাউৰি সবলীকৰণত গুৰুত্ব আৰোপ কৰি পৰৱৰ্তী বাজেটত এই সম্পৰ্কীয় আঁচনি অন্তৰ্ভুক্ত কৰিবলৈ কয়। ...... **বাইট**.....

০০০০০০

ব্ৰহ্মপুত্ৰ নদীৰ খনন জৰীপৰ কাম ডিব্ৰুগড় জিলাৰ বগীবিলত আৰম্ভ কৰা হৈছে। ভাৰতীয় অন্তৰ্দেশীয় জলপথ কৰ্তৃপক্ষ আই ডব্লিউ এ আইৰ এটা দলে কালি এই কাম আৰম্ভ কৰিছে। জৰীপৰ দলটোৱে নদীখনৰ ৩০০ মিটাৰ দৈৰ্ঘ্যৰ এটা গুৰুত্বপূৰ্ণ অংশ তাৎক্ষণিক খনন জৰীপৰ বাবে চিহ্নিত কৰিছে। বগীবিলৰ এই বিশেষ অংশটো নদী পৰিবহণৰ বাবে ক্ৰমান্বয়ে প্ৰত্যাহ্বানজনক হৈ পৰাৰ ফলত ফেৰী সেৱা, প্ৰমোদতৰী পৰিচালনা আৰু মালবাহী জাহাজৰ পৰিচালনাগত অসুবিধাৰ সৃষ্টি হৈছে। আই ডব্লিউ এ আইৰ সূত্ৰমতে বৰ্তমানৰ জৰীপ সম্পূৰ্ণ হোৱাৰ পাছত প্ৰকৃত খননকাৰ্য আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। জৰীপে সঠিক গভীৰতালৈ খননকাৰ্যৰ প্ৰয়োজনীয়তাৰ লগতে আঁতৰাব লগীয়া পলসৰ পৰিমাণো নিৰ্ধাৰণ কৰিব। উল্লেখযোগ্য যে ২০১৭ চনত সেই সময়ৰ মুখ্যমন্ত্ৰী আৰু বৰ্তমানৰ কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই খননকাৰ্য জৰীপৰ ঘোষণা কৰিছিল। ৭ বছৰৰ অন্তত এই প্ৰকল্প পুনৰুজ্জীৱিত কৰা হৈছে।

০০০০০০

ৰাজ্য চৰকাৰে কালি এখন অধিসূচনা যোগে শীৰ্ষ প্ৰশাসনিয় পৰ্যায়ত পদৰ সালসলনি ঘটাইছে। এই অনুসৰি মুখ্য সচিব ড০ ৰবি কোটাক বাণিজ্য উদ্যোগ, ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ অতিৰিক্ত দায়িত্বৰ পৰা অব্যাহতি দিয়া হৈছে। অতিৰিক্ত মুখ্য সচিব বি কল্যাণ চক্ৰৱৰ্তীক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অতিৰিক্ত মুখ্য সচিব হিচাপে বদলি কৰা হৈছে। তেওঁ পূৰ্বৰ দৰে দক্ষতা, নিয়োগ, উদ্যমিতা, সাংস্কৃতিক পৰিক্ৰমা, ৰূপান্তৰ আৰু উন্নয়ন বিভাগ তথা চতুৰ্থবৰ্গৰ ৰাজ্যিক নিযুক্তি আয়োগৰ অধ্যক্ষৰ দায়িত্বত থাকিব। একেদৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অতিৰিক্ত মুখ্য সচিব জে বি এক্কাক উদ্যোগ আৰু বাণিজ্য বিভাগলৈ বদলি কৰা হৈছে। লাচিত বৰফুকন পুলিচ একাডেমীৰ সঞ্চালক দিগন্ত বৰাক গৃহ আৰু ৰাজনৈতিক বিভাগৰ আয়ুক্ত সচিব পদত নিযুক্তি দিয়া হৈছে। দিগন্ত বৰা পৰ্যটন বিভাগৰ আয়ুক্ত সচিবৰ দায়িত্বতো থাকিব।

ৰাজ্য চৰকাৰে আন এটা অধিসূচনা যোগে দৈনিক জনমভূমি কাকতৰ প্ৰাক্তন সম্পাদক, জ্যেষ্ঠ সাংবাদিক উৎপল বৰুৱাক অসম চৰকাৰে ৰাজ্যিক তথ্য আয়ুক্ত হিচাপে নিযুক্তি দিছে। প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত মুখ্য তথ্য আয়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা তথ্য আয়োগত ৰাজ্যিক তথ্য আয়ুক্তৰ এটা পদ খালী হৈ আছিল।

০০০০০০

বিশ্ব ভাৰতী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপকৰ নতুন পদ সৃষ্টিৰ বাবে কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ৰ অনুদান বিচাৰিবলৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা অনুৰোধ জনাবলৈ বিশ্ববিদ্যালয়খনৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডঃ সংগীতা শইকীয়াই আহ্বান জনাইছে। অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ পাছত এই বিষয়ৰ প্ৰথমখন গৱেষণা পত্ৰৰ প্ৰকাশৰ তত্বাৱধায়ক অধ্যাপক ড০ শইকীয়া আৰু গৱেষিকা ফেন্সী চুতিয়াৰ কথোপকথনৰ কালিৰ দৃষ্টিপাত অনুষ্ঠানত অধ্যাপকগৰাকীয়ে এই কথা উল্লেখ কৰে। তেওঁ কয় যে অসম চৰকাৰে

যোৱা বছৰ বিশ্ব ভাৰতী বিশ্ববিদ্যালয়ৰ সৈতে স্বাক্ষৰ কৰা বুজাবুজিৰ চুক্তি অনুসৰি তিনিজন গৱেষণা সহযোগী আৰু এগৰাকী অতিথি অধ্যাপক বিশ্ববিদ্যালয়খনত নিযুক্তিৰ ব্যৱস্থা কৰা হৈছে। অনুষ্ঠানত ড০ শইকীয়াই অসমীয়া ভাষাৰ সমৃদ্ধ ইতিহাস আৰু কামৰূপী লিপিৰ স্বকীয়তাৰ বিষয়ে উল্লেখ কৰে।

*(বাইট ঃ ড০ সংগীতা শইকীয়া)*

অনুষ্ঠানত গৱেষিকা ছাত্ৰীগৰাকীয়ে **অসমীয়া ভাষাত ধ্ৰুপদী উপাদান - এক বিশ্লেষণাত্মক অধ্যয়ন** শীৰ্ষক বিষয়ত তেওঁৰ গৱেষণাৰ সময়ত প্ৰাচীন কামৰূপৰ ইতিহাস বিস্তৃত ৰূপত অধ্যয়ন কৰিছিল বুলি মন্তব্য কৰে। সংস্কৃত মূলীয় হ'লেও অসমীয়া ভাষা জনগোষ্ঠীয় বিভিন্ন উপাদানেৰে চহকী বুলি তেওঁ মন্তব্য কৰে।

*(বাইট ঃ ফেঙ্গি চুতীয়া)*

০০০০০০

ডিমৌ গ্ৰাম্য চিকিৎসালয়ৰ সৰ্প দংশনৰ চিকিৎসা বিশেষজ্ঞ ডাঃ সুৰজিৎ গিৰিৰ নেতৃত্বত কালি চিকিৎসকৰ এটা দলে বিষনাশক ব্যৱহাৰ নকৰাকৈয়ে এগৰাকী সৰ্প দংশনৰ ৰোগীক আৰোগ্য কৰিবলৈ সমৰ্থ হৈছে। বিষাক্ত শংখচূড় সাপে দংশন কৰা ৰোগী এগৰাকীৰ চিকিৎসাৰ ক্ষেত্ৰত চিকিৎসকলৰ দলটোৱে ৰোগীগৰাকী গৰ্ভৱতী হোৱাৰ কাৰণে বিষনাশক ব্যৱহাৰ কৰিব পৰা নাছিল। বিষনাশক ব্যৱহাৰ নকৰাকৈ অন্যান্য আনুষংগিক চিকিৎসা প্ৰণালীৰ ব্যৱহাৰেৰে মৰাণ খুমটাই চাহ বাগিচাৰ ৰোগীগৰাকীক আৰোগ্য কৰা ঘটনাটো দেশৰ সৰ্প দংশনৰ চিকিৎসাৰ ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপ বুলি অভিহিত কৰা হৈছে।

০০০০০০

তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰৰ অধীনস্থ ১৪৭ নম্বৰ ৰীগত হোৱা গেছৰ নিৰ্গমন ৰোধ কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত আছে। ৰীগটোৰ পৰা অবিৰতভাৱে হৈ থকা নিৰ্গমন সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰিব পৰা হোৱা নাই যদিও বিশেষজ্ঞৰ দ্বাৰা প্ৰচেষ্টা চলাই থকা হৈছে বুলি নিগমে প্ৰেছ বিবৃতিযোগে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে যোৱা বৃহস্পতিবাৰে দুপৰীয়া তেল কূপটোত গেছৰ নিৰ্গমন আৰম্ভ হয়। প্ৰচণ্ড শব্দৰে নিৰ্গত হোৱা এই গেছৰ ফলত জনস্বাস্থ্যৰ প্ৰতি সৃষ্টি হোৱা  ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে সমীপৰ ৭০ টা পৰিয়ালক সেই অঞ্চলৰ পৰা স্থানান্তৰ কৰে। পৰহি ৰিগটোৰ দায়িত্ব বিশেষ সংকট নিয়ন্ত্ৰণ দলক অৰ্পণ কৰা হৈছিল আৰু সম্প্ৰতি জাংক শ্বট অপাৰেচন নামৰ বিশেষ ব্যৱস্থাৰে গেছ নিৰ্গমন ৰোধৰ কাম কৰি থকা হৈছে। শিৱসাগৰ জিলা প্ৰশাসন, অগ্নি নিৰ্বাপন, জৰুৰীকালীন সেৱা আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগেও এই ক্ষেত্ৰত সহযোগিতা আগবঢ়াইছে। জিলাখনত জনস্বাস্থ্য কাৰিকৰী বিভাগে সমীপৱৰ্তী এলেকাত বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা, স্বাস্থ্য শিবিৰ মুকলি, পশু ধনৰ সুৰক্ষা তথা সুস্বাস্থ্য নিশ্চিত কৰাৰ লগতে ২৪ ঘণ্টাই দণ্ডাধীশ পৰ্যায়ত পৰিস্থিতি তদাৰক কৰি থকা হৈছে।

০০০০০০

আকাশবাণী গুৱাহাটীয়ে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত তৈল প্ৰতিষ্ঠানৰ পৰা গেছ নিৰ্গমনজনিত দুৰ্ঘটনা সন্দৰ্ভত তথ্য চিত্ৰ নিৰ্মাতা জয়চেং জয় দহোতিয়া আৰু আমাৰ শিৱসাগৰৰ সংবাদদাতা মুজাহিদ আলীৰ প্ৰতিবেদনৰ আধাৰত যুগুতোৱা অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানটিৰ প্ৰযোজনা, পৰিচালনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

ৰাষ্ট্ৰীয় তদন্ত সংস্থা এন আই এ যোৱা বছৰ স্বাধীনতা দিৱসত ৰাজ্যৰ বিভিন্ন স্থানত আই ই ডি বিস্ফোৰণৰ ষড়যন্ত্ৰৰ সৈতে জড়িত গোচৰত আলফা স্বাধীনৰ মুৰব্বী পৰেশ বৰুৱাকে ধৰি সংগঠনটোৰ তিনিগৰাকী নেতাৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছে। এন আই এৰ গুৱাহাটীৰ বিশেষ ন্যায়াধীশৰ আদালতত পৰহি ৰাষ্ট্ৰীয় সংস্থাটোৱে তিনিওজনৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰে। সংগঠনটোৰ মুৰব্বী পৰেশ বৰুৱা, অভিজিৎ গগৈ আৰু জাহ্নু বৰুৱাৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ বে-আইনী কাৰ্যকলাপ প্ৰতিৰোধ আইন আৰু বিস্ফোৰক সামগ্ৰি আইনৰ বিভিন্ন ধাৰাৰ অধীনত অভিযোগ তোলা হৈছে বুলি তদন্তকাৰী সংস্থাটোৱে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, যোৱা বছৰৰ স্বাধীনতা দিৱসৰ কাৰ্যসূচীত ব্যাঘাত জন্মাবলৈ সংগঠনটোৱে ৰাজ্যৰ বিভিন্ন প্ৰান্তত একাধিক বিস্ফোৰণ সংঘটিত কৰাৰ বাবে লোৱা অভিসন্ধিৰ অংশ হিচাপে গুৱাহাটীৰ বিভিন্ন স্থান আই ই ডি সংস্থাপন কৰা হৈছিল।

০০০০০০

স্বাধীনতা সেনানী ছহিদ কুশল কোঁৱৰৰ স্মৃতি দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত গোলাঘাট জিলাৰ সৰু পথাৰত ৰে'ল দুৰ্ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত স্বাধীনতা সেনানীগৰাকীক গ্ৰেপ্তাৰ কৰি মৃত্যু দণ্ডৰ হুকুম দিয়া হৈছিল। ১৯৪৩ চনৰ আজিৰ তাৰিখতে কুশল কোঁৱৰক ফাঁচী দিয়া হৈছিল। অহিংস নীতিৰে স্বাধীনতা আন্দোলনত যোগ দিয়া সেনানী গৰাকী গোলাঘাট জিলা কংগ্ৰেছৰ সম্পাদকৰ দায়িত্বও পালন কৰিছিল। আজি স্মৃতি দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ছহিদ গৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে দেশ-প্ৰেমৰ অনন্য নিদৰ্শন দাঙি ধৰি ছহিদ হোৱা এইগৰাকী বীৰ সেনানীৰ মাতৃভূমিৰ প্ৰতি থকা শ্ৰদ্ধা আৰু ভালপোৱাক ৰাজ্য তথা দেশবাসীয়ে সদায় সোঁৱৰণ কৰিব বুলি প্ৰকাশ কৰে।

০০০০০০

হাজোৰ পি এম শ্ৰী দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কালি ইন্‌লী ফাউণ্ডেচনৰ উদ্যোগত বিদ্যালয়খনৰ মহাৰজত জয়ন্তী বৰ্ষৰ সৈতে সংগতি ৰাখি লীলাৱতী দাস সোঁৱৰণী কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত এছ বি দেওৰা কলেজৰ শক্তিমান পেগু আৰু পাৰ্থপ্ৰতীম ভৰলুৱাই শ্ৰেষ্ঠ দল আৰু উত্তৰ লখিমপুৰ স্বতন্ত্ৰ মহাবিদ্যালয়ৰ ছাত্ৰ শচীন দলে শ্ৰেষ্ঠ দৰ্শকৰ পুৰস্কাৰ লাভ কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৯৮গৰাকী প্ৰতিযোগীয়ে ভাগ লোৱা প্ৰতিযোগিতাখন ডাঃ সমুজ্জ্বল ভৰদ্বাজে পৰিচালনা কৰে।

০০০০০০

ইজৰাইল আৰু ইৰাণৰ আক্ৰমণ-প্ৰত্যাক্ৰমণ অব্যাহত, আহমেদাবাদৰ ভয়ংকৰ বিমান দুৰ্ঘটনাৰ বহুতৰপীয়া উচ্চ পৰ্যায়ৰ কমিটী গঠন, গো-মাংসৰ বিতৰ্কৰ পাছতে ধুবুৰীত ৩৮ গৰাকী অভিযুক্ত গ্ৰেপ্তাৰ আদি বিভিন্ন বাতৰি আজি প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত গুৰুত্ব পাইছে।

আহমেদাবাদৰ বিমান দুৰ্ঘটনাৰ পাছতেই অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ত ৪৮ শতাংশ পদ খালী হৈ আছে বুলি তথ্য প্ৰকাশ পোৱাৰ এটা বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে অন্যতম মুখ্যবাতৰি হিচাপে প্ৰকাশ কৰিছে। ইপিনে এই দুৰ্ঘটনাৰ তদন্ত কৰাৰ বাবে গৃহ সচিবৰ অধ্যক্ষতাত এখন উচ্চস্তৰীয় কমিটী গঠন কৰাৰ বাতৰিক **দৈনিক অসম** কাকতেখনে প্ৰকাশ কৰিছে।

ইজৰাইলৰ প্ৰতিৰক্ষা বেহু ভেদ কৰি ওৰে নিশা ইৰাণে ক্ষেপণাস্ত্ৰ আৰু ড্ৰোনেৰে আক্ৰমণ কৰাৰ বাতৰি **দৈনিক অগ্ৰদূত, দি আছাম ট্ৰিবিউন**ৰ লগতে ভালেকেইকন কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

যোৱা বছৰ স্বাধীনতা দিৱসত ৰাজ্যৰ ২৫টা স্থানত আই ই ডি সংস্থাপন কৰাৰ মূল অভিযুক্ত হিচাপে আলফা স্বাধীনৰ মুৰব্বী পৰেশ বৰুৱাসহ তিনিজনৰ নাম **নিয়াৰ** চাৰ্জশ্বিটত প্ৰকাশ হোৱাৰ বাতৰিটো **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিকে **দা ছেণ্টিনেল** কাকতখনেও প্ৰকাশ কৰিছে।

ধুবুৰীত গো-মাংস বিতৰ্কৰ পাছতেই বিভিন্ন স্থানত আৰক্ষীয়ে অভিযান চলাই ৩৮ গৰাকী লোকক গ্ৰেপ্তাৰ কৰাৰ বাতৰিটো **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

শিৱসাগৰ জিলাৰ ভটিয়াপাৰৰ বিস্ফোৰিত খাদৰ পৰা গেছ্ নিৰ্গমন এতিয়াও অব্যাহত থকাৰ লগতে তেল খাদৰ বিকট শব্দত হৃদক্ৰিয়া বন্ধ হৈ এজন লোকৰ মৃত্যু হোৱা বুলি এটা বাতৰি প্ৰকাশ কৰিছে **দৈনিক জনমভূমি** কাকতে।

দিছপুৰৰ বিধানসভা ভৱনৰ সন্মুখত জনজাতিকৰণৰ দাবীত আটাছুৱে উত্তাল প্ৰতিবাদ সাবস্য কৰাৰ বাতৰি নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

দৰং জিলাৰ হাজৰিকাপাৰা গান্ধীস্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক শৰৎ চন্দ্ৰ শৰ্মাৰ আজি পুৱা ছিপাঝাৰৰ হাজৰিকাপাৰাৰ নিজ বাসগৃহত দেহাৱসান ঘটে। বিশিষ্ট প্ৰকৃতিপ্ৰেমী প্ৰয়াত শৰ্মা বৃক্ষমিত্ৰ সন্মানেৰে বিভূষিত কৰা হৈছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৩ বছৰ।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে। আজিৰ দিনটোত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ আৰু মিজোৰামত ৩ৰ পৰা ৫ ডিগ্ৰী উষ্ণতা বৃদ্ধি পাব বুলিও কেন্দ্ৰটোৱে প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত